# বিস্কুটৰ টোপোলাটো

**প্ৰশ্ন ১। চমুকৈ উত্তৰ দিয়া –**

( ক ) পেচেঞ্জাৰ আৰু এক্সপ্ৰেছ ৰেলগাড়ীৰ মাজত পাৰ্থক্য কি ?

**উত্তৰঃ** পেচেঞ্জাৰ ৰেলগাড়ী প্ৰায় প্ৰতিটো ষ্টেচনতে ৰয় , কিন্তু এক্সপ্ৰেচ ৰেলগাড়ী ডাঙৰ ডাঙৰ ষ্টেচন আৰু জংচনতহে ৰয় ।

( খ ) ঘগ্ৰাপাৰ ষ্টেচনত এক্সপ্ৰেছ ৰেলগাড়ী কিয় নৰয় ?

**উত্তৰঃ** সৰু ষ্টেচন বাবে ।

( গ ) কণিকা কাৰ্যালয়লৈ কিহেৰে অহা – যোৰা কৰে ?

**উত্তৰঃ** ৰেলেৰে অহা – যোৰা কৰে ।

( ঘ ) কণিকাৰ ঘৰত কোন কোন আছে ?

**উত্তৰঃ** বয়সীয়া মাক আৰু সৰু ভায়েক আছে ।

( ঙ ) কণিকাৰ হাতৰ মোনাটোত কি কি বস্তু আছিল ?

**উত্তৰঃ** বিস্কুটৰ টোপোলা আৰু পানীৰ বটল ।

( চ ) শৰাইঘাট দলংকত আছে ?

**উত্তৰঃ** জালুকবাৰী আৰু আমিনগাঁৱৰ মাজত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত আছে ।

**প্ৰশ্ন ২। কণিকাৰ ওচৰত বহি থকা ভদ্ৰলোকজনৰ বিষয়ে তিনিটা বাক্য লিখা ।**

**উত্তৰঃ** ভদ্ৰলোকজন বয়সীয়াল ।

ভদ্ৰলোকজন চাফ – চিকুণ , কিন্তু দুখীয়া ।

ভদ্ৰলােকজনৰ ভােক লাগিছিল ।

কণিকাৰ প্ৰতি ভদ্ৰলােকজন সহানুভূতিশীল আছিল ।

**প্ৰশ্ন ৩। কণিকাৰ ভদ্ৰলােকজনৰ ওচৰত ক্ষমা খুজিবলৈ মন গ'ল কিয় ?**

**উত্তৰঃ** ভদ্ৰলােকজনৰ ওপৰত কণিকাৰ ভুলবশতঃ খং উঠিছিল । ৰে'লত বহি পানীৰ বটলটো মােনাৰ পৰা উলিয়াবলৈ লওঁতেই তাইৰ ভুল ভাগিছিল । কাৰণ ভদ্ৰলােকজনে তাইৰ বিস্কুট খােৱা নাছিল , তাইহে ভদ্ৰলােকজনৰ বিস্কুট খাইছিল । অথচ ভদ্ৰলোকজনে তাইক কিবা কোৱাটো দূৰৰ কথা শেষ বিস্কুটখনৰ আধা তাইলৈ এৰিছিল । সেই ভদ্ৰলােকজনেই তাইক বেঞ্চত বহাৰ বাবে ঠাই উলিয়াই দিছিল । সেয়েহে, নিজৰ ভুল ভগাৰ পাছত কণিকাৰ ভদ্ৰলােকজনৰ ওচৰত ক্ষমা খুজিবলৈ মন গৈছিল ।

**প্ৰশ্ন ৪। কণিকাই নিতৌ ঘগ্ৰাপাৰৰ পৰা মালিগাঁৱলৈ ৰেলেৰে অহা – যােৱা কৰে কিয় ?**

**উত্তৰঃ** কণিকাৰ ঘৰত বয়সীয়া মাক আৰু সৰু ভায়েক আছে । তেওঁলােক দুয়ােজনকে কণিকাই চোৱা – চিতা কৰিব লাগে । সেয়েহে তেওঁ নিতৌ ঘৰৰ পৰা মালিগাঁৱলৈ ৰেলেৰে অহা – যােৱা কৰে।

**প্ৰশ্ন ৫। প্ৰথম স্তম্ভত থকা শব্দবােৰৰ অৰ্থ দ্বিতীয় স্তম্ভত দিয়া শব্দৰ পৰা বিচাৰি উলিওৱা ।**

| **প্ৰথম স্তম্ভ** | **দ্বিতীয় স্তম্ভ** |
|---|---|
| লৰা ঢপৰা | মনে মনে খংকৰা |
| হেচা – টেপা | খণ্ডত একোনাই হােৱা |
| খং মূৰৰ চুলিৰ আগ | পােৱা খৰখেদা লগােৱা |
| গুজৰি – গুমৰি | ঠেলা-ঠেলি |
| হৰণ – ভগন | দূৰৰ পৰা শুনাকৈ মৰা চিঞৰ |
| উকি | ক্ষয়-ক্ষতি |

**উত্তৰঃ**

| **প্ৰথম স্তম্ভ** | **দ্বিতীয় স্তম্ভ** |
|---|---|
| লৰা ঢপৰা | খৰখেদা লগাোৱা |
| হেচা – টেপা | ঠেলা-ঠেলি |
| খং মূৰৰ চুলিৰ আগ | পাোৱা খঙত একোনাই হাোৱা |
| গুজৰি – গুমৰি | মনে মনে খংকৰা |
| হৰণ – ভগন | ক্ষয়-ক্ষতি |
| উকি | দূৰৰ পৰা শুনাকৈ মৰা চিঞৰ |

**প্ৰশ্ন ৬। বাক্য ৰচনা কৰা –**

গুজৰি – গুমৰি , চোৱা – চিতা , অহা – যাোৱা , হেচা – টেপা , লৰা – ঢপৰা

**উত্তৰঃ গুজৰি – গুমৰি :-** কাৰ ওপৰত নাজানাে , দেউতাই পুৱাতে গুজৰি – গুমৰি আছে ।

**চোৱা – চিতা :-** সৰুৰে পৰা আইতাকেই চোৱা – চিতা কৰিছে ।

**অহা – যাোৱা :-** গগনে সদায় চাইকেলেৰে বিদ্যালয়লৈ অহা – যাোৱা কৰে ।

**হেঁচা – টেপা :-** বাছখন ৰাোৱাৰ লগে লগে যাত্ৰীবাোৰে উঠিবলৈ হেঁচা টেপা লগালে যে মই উঠিবই নাোৱাৰিলোঁ ।

**লৰা-ঢপৰা :-** অলপ লৰা – ঢপৰা নকৰিলে বাছখন ধৰিব নাোৱাৰিবি।